# দৈনিক অসম

গড়, ১৫ আঘোণ, মঙলবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 117। DIBRUGARH, TUES




# ফিল'বাৰীত 'গল্প আৰু উপন্যাস লিখন কৌশল' বিষয়ক কৰ্মশালা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**ফিল'বাৰী, ১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত, জিলা ৰাজ্যভাষা-মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ সহযোগত আৰু ফিল'বাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত 'গল্প আৰু উপন্যাস লিখন কৌশল' শীৰ্ষক এখন এদিনীয়া জিলাভিত্তিক কৰ্মশালা ৩০ নৱেম্বৰত ফিল'বাৰীৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰাংগনত অনুষ্ঠিত হয়। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত অসম সাহিত্য সভাৰ আৰম্ভণী গীত "চিৰ চেনেহী মোৰ



ভাষা জননী' ফিল'বাৰী শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰীসকলে পৰিৱেশন কৰে। ফিল'বাৰী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মনোৰঞ্জন সোণোৱালৰ আদৰণী ভাষণৰ পাছত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচীৰে আৰম্ভ হোৱা উদ্বোধনী সভাত সভাপতিত্ব কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই আৰু উদ্বোধক হিচাপে বক্তব্য আগবঢ়ায় অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মোহন মৰাণে।

কৰ্মশালাৰ সমল ব্যক্তি হিচাপে সাহিত্য অকাডেমি বঁটা বিজয়ী বিশিষ্ট ঔপন্যাসিক আৰু গল্পকাৰ জয়ন্ত মাধৱ বৰাই অংশগ্ৰহণ কৰি গল্প আৰু উপন্যাসৰ লিখন শৈলী সম্পৰ্কে এক দীঘলীয়া মননশীল আলোচনা আগবঢ়ায়। আনহাতে, উদ্বোধনী সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ বৈদেশিক মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক তথা বিশিষ্ট লেখক ডঃ শশীকান্ত শইকীয়াই অসমীয়া ভাষাক বিশ্বজনীন কৰাৰ প্ৰয়াসত ডিজিটেল মাধ্যমৰ গুৰুত্ব সম্পৰ্কত এক সাৰুৱা ভাষণ প্ৰদান কৰে। জিলাখনৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসহ শতাধিক সাহিত্যপ্ৰেমীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। কৰ্মশালাৰ সামৰণিত অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ বিতৰণ আৰু ফিল'বাৰী শাখাৰ জৰিয়তে অসম সাহিত্য সভাৰ আজীৱন সভ্য হোৱা ব্যক্তিসকলক সন্মান প্ৰদৰ্শন কৰা হয়। তিনিচুকীয়া জিলা সাহিত্য সভা, ৰাজ্যভাষা-মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ আহ্বায়ক মৃণালজ্যোতি শইকীয়া আৰু ফিল'বাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি লীলা উপাধ্যায়, সম্পাদক কংকণজ্যোতি গোস্বামীৰ সহযোগত সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমায়ে।